www.dailyassam.com



# জাগা জননীৰ সন্তান

*দেশ মাতৃৰ আহ্বানত দেশে দেশে যুগে যুগে সকলো শংকা আঁতৰাই সু-সন্তানসকল নিজ কৰ্তব্যৰ পথত আগবাঢ়ি গৈছে। স্বদেশ-স্বজাতিৰ উন্নতিৰ অভিযানত কৰ্মহীনতা অথবা কাপুৰুষতাৰ কোনো স্থান নাই। দেশৰ প্ৰতি থকা অপৰিসীম ভালপোৱাই মানুহক শক্তিশালী কৰি তোলে, জগাই তোলে অন্তৰৰ সাহসী সত্তাক। আপোন দেশক ৰক্ষা কৰিবলৈ, মাতৃৰ সন্মান অক্ষুণ্ণ ৰাখিবলৈ কোনো ক্ষেত্ৰতে ক্ষতি স্বীকাৰ নকৰা নৱ-জোৱানসকল দেশৰ ভৱিষ্যত সুৰক্ষাৰ প্ৰহৰী। তেওঁলোকৰ অৰ্থেই এয়া এক প্ৰেৰণাময় আহ্বান।*



জাগা জননীৰ সন্তান
জাগা শক্তিমান জাগ মুক্তপ্ৰাণ।
মৃত্যু গছকি আনা জয়জিনি
কৰি দুৰ্জ্জয় অভিযান।
কৰ্মহীনতা কাপুৰুষতাই
তোমাক কৰিলে জয়
তুমি দুৰ্ব্বল ম্ৰিয়মান
তথাপিও নাই ভয়
জাগা শক্তিমান জাগা মাতৃপ্ৰাণ।
শক্তিগায়ত্ৰী মনত পেলোৱা হবা দুৰ্নিবাৰ
তেতিয়া তোমাৰ জয় নিনাদত শত্ৰু কম্পমান।
অ' মোৰ আপোন পাহৰা দুৰ্ম্মদ বীৰ
অজেয় নৱ-জোৱান
জাগা শক্তিমান জাগা মাতৃপ্ৰাণ।।



**কবি—জ্যোতিপ্ৰসাদ আগৰৱালা**

*(উৎস- জ্যোতিপ্ৰসাদ ৰচনাৱলী, সম্পাদনা ড° হীৰেন গোহাঁই, পৃষ্ঠা- ৭১৩
প্ৰকাশক — অসম প্ৰকাশন পৰিষদ)*

**জানো আহা**

**জ্যোতিপ্ৰসাদ আগৰৱালা (১৯০৩ - ১৯৫১)** — জ্যোতিপ্ৰসাদ আগৰৱালাই প্ৰথম অসমীয়া বোলছবি 'জয়মতী' নিৰ্মাণ কৰিছিল। ১৪ বছৰ বয়সত তেখেতে ৰচনা কৰা নাট হ'ল- 'শোণিত কুঁৱৰী'। তেখেতে ৰচনা কৰা নাটসমূহৰ ভিতৰত কাৰেঙৰ লিগিৰী, ৰূপালীম্, নিমাতী কইনা, লভিতা আদি উল্লেখযোগ্য।

**ক্ৰিয়া-কলাপ**

## ক — পাঠভিত্তিক ক্ৰিয়া

**১। গীতটো সুৰ লগাই গোৱা।**

**২। গীতটো ভালদৰে পঢ়া আৰু বুজি লোৱা।**

**৩। উত্তৰ দিয়া।**

(ক) কবিয়ে কাক জাগি উঠিবলৈ কৈছে?

(খ) দুৰ্জ্জয় অভিযান বুলি কি বুজাইছে?

(গ) দুৰ্জ্জয় অভিযানেৰে কি কৰিবলৈ কৈছে?

(ঘ) জননীৰ সন্তানক কিহে দুৰ্বল কৰাৰ কথা কৈছে?

(ঙ) "তথাপিও নাই ভয়" বুলি কিয় কৈছে?

(চ) কাৰ জয় নিনাদত শত্ৰু কম্পমান বুলি উল্লেখ কৰিছে?

(ছ) আপোন পাহৰা বীৰক কি বুলি আখ্যা দিছে?

**৪। গীতটোৰ বুজি নোপোৱা শব্দবোৰৰ অৰ্থ শব্দ সম্ভাৰ আৰু অভিধান চাই জানি লোৱা।**

**৫। গীতটোৰ মূলভাৱ লিখা।**

## খ — ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ)

**৬। বাক্য ৰচনা কৰা।**

শক্তিমান কাপুৰুষ নিনাদ অজেয় অভিযান।

**জানো আহা**

দুটা শব্দৰ প্ৰথমটো শব্দৰ শেষৰ বৰ্ণ আৰু দ্বিতীয়টো শব্দৰ প্ৰথম বৰ্ণৰ মিলনকে সন্ধি বোলে। অসমীয়া ভাষাত সংস্কৃত নিয়মৰ সন্ধি আৰু অসমীয়া নিয়মৰ সন্ধি আছে। সংস্কৃত নিয়মৰ সন্ধিক **স্বৰসন্ধি, ব্যঞ্জনসন্ধি আৰু বিসৰ্গসন্ধি**— এইকেইটা ভাগত ভগোৱা হয়।

**স্বৰসন্ধি**

| | | | | | |
|---|---|---|---|---|---|
| (ক) অ + অ = আ, | নীল | + | অচল | = | নীলাচল |
| | চৰ | + | অচৰ | = | চৰাচৰ |

| | | | | | | |
|---|---|---|---|---|---|---|
| (খ) | অ + আ= আ, | দেৱ | + | আলয় | = | দেৱালয় |
| | | শোক | + | আকুল | = | শোকাকুল |
| (গ) | আ+ আ= আ, | মহা | + | আকাশ | = | মহাকাশ |
| | | বিদ্যা | + | আলয় | = | বিদ্যালয় |
| (ঘ) | আ+ অ = আ, | তথা | + | অপি | = | তথাপি |
| | | আশা | + | অতীত | = | আশাতীত |

**ব্যঞ্জনসন্ধি —** ব্যঞ্জনবৰ্ণৰ লগত ব্যঞ্জনবৰ্ণৰ বা ব্যঞ্জনবৰ্ণৰ লগত স্বৰবৰ্ণৰ যি সন্ধি হয়, তাক ব্যঞ্জনসন্ধি বোলে। অথবা স্বৰবৰ্ণৰ লগত ব্যঞ্জনবৰ্ণৰ মিলনকে ব্যঞ্জনসন্ধি বোলে।

| | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|
| উৎ | + চাৰণ | = | উচ্চাৰণ | | সৎ | + জন | = | সজ্জন |
| উৎ | + ছন্ন | = | উচ্ছন্ন | | সৎ | + আচাৰ | = | সদাচাৰ |
| উৎ | + জ্বল | = | উজ্জ্বল | | বাক্ | + ইন্দ্রিয় | = | বাগিন্দ্রিয় |

**বিসৰ্গসন্ধি —** বিসৰ্গ আৰু স্বৰবৰ্ণ বা ব্যঞ্জনবৰ্ণৰ সংযোগত হোৱা সন্ধিক বিৰ্সগসন্ধি বোলে।

যেনে — মনঃ + ৰম = মনোৰম

নিঃ+চয় = নিশ্চয়

☞ *এনেদৰে অন্যান্য স্বৰবৰ্ণৰ সন্ধিবোৰ ছাত্ৰ-ছাত্ৰীক শিকাব।*

৭। **সন্ধি গঠন কৰা আৰু ভাঙা।**

| | | | | | |
|---|---|---|---|---|---|
| দেৱ + অসুৰ | = | | মুৰ + অৰি | = | |
| কুশ + আসন | = | | দশ + আনন | = | |
| বিদ্যা + অলংকাৰ | = | | মহা + অৰ্ণৱ | = | |

| | | | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|---|---|
| মহৰ্ষি | = | | + | | | উল্লেখ | = | | + | |
| নৰেন্দ্ৰ | = | | + | | | উজ্জ্বল | = | | + | |
| মনোহৰ | = | | + | | | নাৰিক | = | | + | |
| মনোযোগ | = | | + | | | দিগন্ত | = | | + | |

☞ *ইতিমধ্যে আগৰ শ্ৰেণীৰ পাঠ্যপুথিত সন্ধি সম্পৰ্কে কিছু আভাস পাইছে। সন্ধি সম্পৰ্কে ব্যাকৰণৰ কিতাপৰ পৰা ছাত্ৰ-ছাত্ৰীক বহুলভাৱে শিকাব।*

☞ ***নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী***

**জানো আহা**

বিশেষ্য আৰু বিশেষণ পদ কাক বোলে, এটা বিশেষ্য পদ বিশেষণ পদলৈ নিলে পদটোৰ কেনে ৰূপ হয় সেই বিষয়ে তোমালোকে ইতিমধ্যে পঢ়ি আহিছা। এতিয়া, অসমীয়া তদ্ধিত প্ৰত্যয়ৰ যোগত বিশেষ্য পদ কি পদ্ধতিৰে বিশেষণ পদলৈ পৰিৱৰ্তন হয় সেই বিষয়ে তলত কেইটামান উদাহৰণ দিয়া হ'ল —

১। (ক) প্ৰস্তুত কৰা অৰ্থত - **ঈ** প্ৰত্যয় যোগ কৰি —

কপাহ + ঈ = কপাহী

তাম + ঈ = তামী

(খ) আছে অৰ্থত - **ঈ** প্ৰত্যয় যোগ কৰি —

ধন + ঈ = ধনী

জ্ঞান + ঈ = জ্ঞানী

২। আছে বা গুণ থকা অৰ্থত - **ঈয়া** প্ৰত্যয় যোগ কৰি —

লোণ + ঈয়া = লুণীয়া

জোল + ঈয়া = জুলীয়া

আছে বা তাত বাস, এই অৰ্থত - **আল** প্ৰত্যয় যোগ কৰি —

খং + আল = খঙাল (আছে অৰ্থত)

নদী + আল = নদীয়াল (বাস কৰা অৰ্থত)



৩। জুৰি থকা অৰ্থত - **অনি** প্ৰত্যয় যোগ কৰি —

ধান + অনি = ধাননি

৪। ইয়াত সিঁচা হয়, এই অৰ্থত - **তলী** প্ৰত্যয় যোগ কৰি —

সৰিয়হ + তলী = সৰিয়হতলী

৫। আছে আৰু পাৰ্গত অৰ্থত কিছুমান শব্দৰ পাচত - **উৱা** প্ৰত্যয় যোগ কৰি —

ৰণ + উৱা = ৰণুৱা (ৰণত পাৰ্গত)

ধাৰ + উৱা = ধৰুৱা ( ধাৰ আছে অৰ্থত )

৬। উৎপত্তি বুজাবলৈ 'গাঁও' শব্দত -**অলীয়া** প্ৰত্যয় যোগ কৰি —

গাঁও + অলীয়া = গাঁৱলীয়া

৭। কৰে অৰ্থত 'খেতি' আদি শব্দত -**অক** প্ৰত্যয় যোগ কৰি —

খেতি + অক = খেতিয়ক

৮। আছে অৰ্থত কোনো কোনো শব্দত -**ইয়াল** প্ৰত্যয় যোগ কৰি —

মৰম + ইয়াল = মৰমিয়াল

*অসমীয়া ব্যাকৰণৰ পুথিত এনে পদ পৰিৱৰ্তনৰ অনেক উদাহৰণ আছে। - উৰা প্ৰত্যয় যোগ হ'লে শব্দৰ শেষৰ বৰ্ণৰ আগৰ আ গুচি অ আৰু ও গুচি উ হয়; উদাহৰণ- ধাৰ-ধৰুৱা, লোণ-লুণীয়া ইত্যাদি। তেনেদৰে প্ৰত্যয় আৰু বিভক্তিৰ যোগত শব্দৰ শেষত থকা অনুস্বাৰ(ং) গুচি ঙ হয়; উদাহৰণ- খং-খঙাল, চিলং-চিলঙলৈ, দলং-দলঙেৰে ইত্যাদি। বানানৰ পৰিৱৰ্তন হোৱা দিশটোৰ প্ৰতি ছাত্ৰ-ছাত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিব আৰু ভালদৰে বুজাই দিব।*

**৯। বিপৰীত অৰ্থ বুজোৱা শব্দ লিখা।**

মৃত্যু ________ জয় ________ কাপুৰুষ ________

ভয় ________ শত্ৰু ________ দুৰ্বল ________

**১০। তলৰ শব্দৰবোৰৰ সমাৰ্থক শব্দ লিখা।**

উদাহৰণ - মৃত্যু — মৰণ, দেহত্যাগ, স্বৰ্গ-গমন, পৰলোক-গমন

জননী —

সন্তান —

বীৰ —

নিনাদ —

**১১। এটা শব্দত প্ৰকাশ কৰা।**

(ক) সাহস নথকা মানুহ —

(খ) জাকৈৰে মাছ ধৰা মানুহ —

(গ) যাৰ শক্তি আছে —

(ঘ) যাক জিনিব নোৱাৰি —

***নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী***

১২। **তলত দিয়া বিশেষ্য পদবোৰক বিশেষণলৈ পৰিৱৰ্তন কৰা ।**

মান দুৰ্বলতা দৰ্শন দুখ মানৱ

## গ — জ্ঞান সম্প্ৰসাৰণ

১৩। **ভাব বহলাই লিখা।**

সাঁতোৰ সাঁতোৰ, নিজ বাহুবলে,
সাঁতুৰিব নোৱাৰিলে যা ৰসাতলে।

১৪। **জ্যোতিপ্ৰসাদ আগৰৱালাৰ এটি গীত সংগ্ৰহ কৰি গাবলৈ অভ্যাস কৰা।**

১৫। **জ্যোতিপ্ৰসাদ আগৰৱালাই ৰচনা কৰা নাটককেইখনৰ নাম লিখি তাৰে এখনৰ কাহিনীটো চমুকৈ লিখা।**

## ঘ—প্ৰকল্প

১৬। **কৰ্মহীনতাই মানুহক এলেহুৱা কৰে। গতিকে অনবৰতে আমি সক্ৰিয় হৈ থাকিবলৈ কিবা নহয় কিবা এটা কাম কৰি থাকিব লাগে। বিশেষকৈ আজৰি সময়ত নিজকে সক্ৰিয় কৰি ৰাখিবলৈ আমাৰ কামত অহা কিছুমান সৰু-সুৰা কাম কৰিব লাগে।**

- **তলত কিছুমান কাম উল্লেখ কৰা হ'ল। প্ৰত্যেকেই তলৰ কামবোৰৰ যিকোনো এটা বাছি লৈ নিজৰ মতে আজৰি সময়ত কৰি শিক্ষকৰ হাতত জমা দিবা।**



- ছবি অঁকা
- ক'লাজ কৰা
- গল্প, কবিতা লিখা
- অপ্ৰয়োজনীয় কাপোৰেৰে দলিচা আদি তৈয়াৰ কৰা
- পেলনীয়া কাগজেৰে ফুল আৰু মুখা আদি প্ৰস্তুত কৰা
- বেজিৰে কাপোৰত ফুল তোলা।
- কাগজৰ মোনা তৈয়াৰ কৰা।

☛ *ছাত্ৰ-ছাত্ৰীক প্ৰকল্পৰ কামবোৰ কৰাত সহায় কৰিব আৰু শেষত সেই কামবোৰৰ প্ৰদৰ্শনী পাতিব।*

## পাঠ ৪

### পাঠটোৰ পৰা আহৰণ কৰিবলগীয়া অৰ্হতা

- গীতটো সুৰ লগাই গাব পৰা
- গীতটো পঢ়ি বুজি পোৱা
- পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ দিব পৰা
- কঠিন শব্দৰ অৰ্থ বুজি পোৱা
- গীতৰ মূলভাব বুজি লিখিব পৰা
- স্বৰসন্ধি, ব্যঞ্জনসন্ধি আৰু বিসৰ্গসন্ধিৰ বিষয়ে জনা
- সন্ধি ভঙা আৰু গঠন কৰিব পৰা
- প্ৰত্যয় প্ৰয়োগ কৰি বিশেষ্যৰ পৰা বিশেষণলৈ ৰূপ সলনি কৰিব পৰা পদ্ধতি সম্পৰ্কে জনা
- এটা শব্দত প্ৰকাশ কৰিব পৰা
- বিপৰীতাৰ্থক শব্দ, সমাৰ্থক শব্দৰ বিষয়ে জনা
- ভাব বহলাই লিখিব পৰা
- জ্যোতিপ্ৰসাদ আগৰৱালাই ৰচনা কৰা নাটকৰ নাম জনা আৰু কাহিনী লিখিব পৰা
- আজৰি সময়ৰ সদ্ব্যৱহাৰ কৰিব জনা

### শিকাৰুৰ পাঠভিত্তিক অৰ্হতাৰ মূল্যায়ন

| গীত | গীতটো সুৰ লগাই গাব পৰা | শুদ্ধকৈ পঢ়িব পৰা | পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ দিব পৰা | শব্দৰ অৰ্থ ক'ব পৰা | গীতটোৰ মূলভাব লিখিব পৰা | বাক্য ৰচনা কৰিব পৰা |
|---|---|---|---|---|---|---|
| | | | | | | |
| ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ) | অসমীয়া ভাষাত সংস্কৃত নিয়মৰ সন্ধি সম্বন্ধে জানিব পৰা | সন্ধি ভাঙিব আৰু গঠন কৰিব পৰা | বিশেষ্যৰ পৰা বিশেষণ কৰিলে পদটো কি পদ্ধতিৰে পৰিৱৰ্তন কৰা হয় সেই বিষয়ে জানি লিখিব পৰা | বিপৰীত অৰ্থ বুজোৱা শব্দ লিখিব পৰা | সমাৰ্থক শব্দ বুজি লিখিব পৰা | এটা শব্দত প্ৰকাশ কৰিব পৰা |
| | | | | | | |
| জ্ঞান সম্প্ৰসাৰণ | ভাব বহলাই লিখিব পৰা | জ্যোতিপ্ৰসাদ আগৰৱালাৰ গীত সংগ্ৰহ কৰি গাবলৈ চেষ্টা কৰা | জ্যোতিপ্ৰসাদ আগৰৱালাই ৰচনা কৰা নাটককেইখনমানৰ নাম লিখিব পৰা আৰু তাৰে এখনৰ কাহিনী চমুকৈ লিখিব পৰা | | | |
| | | | | | | |
| প্ৰকল্প | আজৰি সময়ত বিভিন্ন কামত অহা কাম কৰিব পৰা | | | | | |
| | | | | | | |

*অৰ্হতা আয়ত্ত হ'লে ওপৰৰ তালিকাখনৰ তলৰ খালী ঘৰত ✓ চিন দিব আৰু নহ'লে × চিন দিব। অৰ্হতা আয়ত্ত নোহোৱা শিকাৰুক অতিৰিক্তভাৱে শিকাই পুনৰ মূল্যায়ন কৰিব।*